প্ৰেছ বাৰ্তা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন

## পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আয়ুক্তালয়ত স্বাধীনতা দিৱস পালন

**গুৱাহাটী ১৫ আগষ্ট—** অন্যান্য প্ৰান্তৰ লগতে ৰাজ্যৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আয়ুক্তালয়তো আজি দেশৰ ৭২ তম স্বাধীনতা দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে আয়ুক্তালয়ৰ বিষয়া-কৰ্মচাৰীসকলৰ উপস্থিতিত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে বিভাগৰ যুটীয়া সঞ্চালক অৰূপ শৰ্মাই। পতাকা উত্তোলনৰ পিছতে বীৰ শ্বহীদসকলক সুঁৱৰি ১ মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়। ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি দিয়া ভাষণ প্ৰসঙ্গত শ্ৰীশৰ্মাই কয় যে আজি আমি স্বাধীন দেশৰ নাগৰিক হিচাপে গৌৰৱ কৰিব পৰাৰ মূলতে আছে আমাৰ স্বনামধন্য অগ্ৰজসকলৰ অশেষ কষ্ট আৰু ত্যাগ। জাতিৰ পিতা মহাত্মা গান্ধীৰ নেতৃত্বত জীৱন পৰ্যন্ত বলিদান দি আমাৰ বাবে আপুৰুগীয়া স্বাধীনতা আৰ্জি দিয়া মহান সেনানিক শ্ৰদ্ধাৰে সুঁৱৰি তেওঁ লগতে কয় যে স্বাধীন দেশৰ নাগৰিক হিচাপে এতিয়া আমাৰ দায়িত্ব হ'ল আমাৰ দেশখনক সকলো ক্ষেত্ৰতে উন্নতিৰ দিশত আগুৱাই লৈ যোৱাৰ বাবে নিজৰ নিজৰ সামৰ্থ অনুযায়ী বৰঙণি আগবঢ়োৱা। এই ক্ষেত্ৰত অধিক সংখ্যক লোক বাস কৰা গাঁৱৰ উন্নয়নৰ বাবে উৎসৰ্গিত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত গ্ৰহণ কৰা সকলো আঁচনিৰ সফল ৰূপায়ণৰ বাবে নিষ্ঠাসহকাৰে নিজৰ কৰণীয় কৰ্তব্য পালন কৰিবলৈ তেওঁ বিভাগৰ সকলো বিষয়া-কৰ্মচাৰীকে আহ্বান জনায়।

*এম আৰ ডি/১৫-৮-১৮*